**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-12-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি সমগ্ৰ দেশত সু-শাসন দিৱস পালন কৰা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সু-শাসন দিৱস উপলক্ষে আজি মধ্য প্ৰদেশৰ খাজুৰাহোত একাধিক উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

৩। অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে আজি দুজন জেহাদীক গ্ৰেপ্তাৰ কৰি সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰে।

৪। পাকিস্তানে যোৱানিশা আফগানিস্তানৰ পক্তিকা প্ৰদেশৰ বৰমল জিলাক লক্ষ্য কৰি চলোৱা বিমান আক্ৰমণত কমেও ১৫ জন লোকে প্ৰাণ হেৰুৱায়।

আৰু

৫। বিশ্বজুৰি যীশু খ্ৰীষ্টৰ জন্মদিন উপলক্ষে আজি ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজেৰে বৰদিন উদযাপন কৰা হৈছে।

০০০০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি সমগ্ৰ দেশত সু-শাসন দিৱস পালন কৰা হৈছে। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মধ্য প্ৰদেশ ভ্ৰমণ কৰি খাজুৰাহোত একাধিক উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ ভিতৰত কেন-বেট্ৱা নদী আন্তঃ সংযোগ ৰাষ্ট্ৰীয় প্ৰকল্প অন্যতম। এই প্ৰকল্পৰ জৰিয়তে মধ্য প্ৰদেশ আৰু উত্তৰ প্ৰদেশৰ বিভিন্ন জিলাত জলসিঞ্চনৰ সুবিধা গঢ়ি তোলা হ'ব আৰু ইয়াৰ দ্বাৰা ৰাজ্য দুখনৰ লাখ লাখ কৃষক পৰিয়াল উপকৃত হ'ব। এই প্ৰকল্পৰ জৰিয়তে অঞ্চলটোৰ ৰাইজলৈ খোৱাপানীও যোগান ধৰা হ'ব। শ্ৰীমোদীয়ে লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰা মুকলি কৰে। তেওঁ লগতে এহেজাৰ ১৫৩টা অটল গ্ৰাম্য সুশাসন অট্টালিকাৰ আধাৰশিলাও স্থাপন কৰে। এই অট্টালিকাসমূহে গাঁও পঞ্চায়তসমূহৰ কাম-কাজ সম্পাদনত সহায় কৰিব আৰু ইয়াৰ ফলত স্থানীয় পৰ্যায়ত সুশাসনৰ পথ প্ৰথ প্ৰশস্ত হ'ব।

সুশাসন দিৱসৰ লগত সংগতি ৰাখি প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে আজি নতুন দিল্লীত ৰাষ্ট্ৰপৰ্ব ৱেবছাইট আৰু এপ মুকলি কৰে। তেওঁ কয়, যে এই ৱেবছাইটৰ জৰিয়তে জনসাধাৰণে গণৰাজ্য দিৱস, স্বাধীনতা দিৱস সমাৰোহ, বিটিং ৰিট্ৰিট আৰু প্ৰতীকপট সম্পৰ্কীয় তথ্য লাভ কৰিব পাৰিব। নাগৰিকসকললৈ ৱেব ছাইটৰ মাধ্যমেৰে কোনো নিৰ্দিষ্ট অনুষ্ঠানৰ টিকট, যান-বাহন ৰখোৱা স্থান, আসন আদিৰ তথ্যও যোগান ধৰা হ'ব।

ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে অটল বিহাৰী বাজপেয়ীৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আজি নতুন দিল্লীত থকা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ সমাধিত সদৈৱ অটলত পুষ্পাৰ্ঘ্য নিবেদন কৰে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু আৰু কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাইও জন্মবাৰ্ষিকী উপলক্ষে অটল বিহাৰী বাজপেয়ীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অটল বিহাৰী বাজপেয়ীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰি প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক দেশৰ মৰ্যাদা, সেৱা আৰু উন্নয়নৰ বাবে জীৱন উৎসৰ্গা কৰা ভাৰতীয় ৰাজনীতিৰ এগৰাকী মহান চিন্তাবিদ বুলি অভিহিত কৰিছে। বাজপেয়ীয়ে দেশৰ অৰ্থ ব্যৱস্থা শক্তিশালী কৰি তোলাত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি যোৱা বুলিও তেওঁ উল্লেখ কৰে।

ভাৰত ৰত্নৰে বিভূষিত ৰাজনীতিবিদগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে অসমতো ৰাজ্য চৰকাৰৰ উদ্যোগত সু-শাসন দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সেই অনুসৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মহানগৰীৰ আদাবাৰীত থকা অটল উদ্যানত অটল স্মাৰক মূৰ্তি আৰু দ্বাৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বাজপেয়ীৰ জীৱন, কাম-কাজ তথা

দেশৰ প্ৰতি তেওঁৰ অৱদান আধাৰিত এখন প্ৰদৰ্শনী মুকলি কৰে। ডং শৰ্মাই ইয়াৰ পূৰ্বে পুৱাৰ ভাগত বেলতলাৰ বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত সু-শাসন দিৱসৰ আন এটা কাৰ্যসূচীত অংশ লয়।

০০০০০০

স্বাধীনতা সংগ্ৰামী, শিক্ষাবিদ আৰু সমাজ সংস্কাৰক পণ্ডিত মদন মোহন মালব্যৰ আজি জন্মবাৰ্ষিকী। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেতাগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে পণ্ডিত মালব্য এগৰাকী সক্ৰিয় স্বাধীনতা সংগ্ৰামী হোৱাৰ লগতে তেওঁ জীৱনজুৰি শিক্ষাৰ প্ৰসাৰত অগ্ৰণী ভূমিকা পালন কৰিছিল। দেশৰ প্ৰতি পণ্ডিত মদন মোহন মালব্যৰ অৱদান সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০০০০০

দিল্লী চৰকাৰে মুখ্যমন্ত্ৰী মহিলা সন্মান যোজনা সন্দৰ্ভত কোনো জাননী প্ৰকাশ কৰা নাই বুলি ৰাজ্যখনৰ মহিলা আৰু শিশু বিকাশ বিভাগে স্পষ্ট কৰি দিছে। বিভাগটোৰ যুটীয়া সঞ্চালকে এই বিষয়ত কয়, যে তেওঁলোকে সংবাদ মাধ্যমৰ জৰিয়তে এটা ৰাজনৈতিক দলে এই আঁচনিৰ অধীনৰ মহিলাসকলক প্ৰতিমাহে দুহেজাৰ এশ টকাকৈ প্ৰদান কৰা হ'ব বুলি দাবী কৰাৰ তথ্য লাভ কৰিছিল। এই আঁচনিৰ নামত আবেদনকাৰীৰ পৰা পত্ৰ সংগ্ৰহ কৰা যিকোনো ব্যক্তি বা ৰাজনৈতিক দলে প্ৰকৃততে প্ৰৱঞ্চনা কৰিছে বুলি যুটীয়া সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰে। ইফালে, দিল্লী বিজেপিৰ সভাপতি বীৰেন্দ্ৰ সচদেৱাই আম আদমী পাৰ্টীৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে এই আঁচনিৰ নামত দিল্লীৰ জনসাধাৰণক প্ৰৱঞ্চনা কৰিছে বুলি অভিযোগ কৰে। আম আদমী পাৰ্টীৰ সাংসদ সঞ্জয় সিঙে এই অভিযোগৰ প্ৰত্যুত্তৰত কয়, যে আঁচনিখন সন্দৰ্ভত জাননী প্ৰকাশ কৰা বিষয়াসকলৰ বিৰুদ্ধে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০০০০

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে আজি দুজন জেহাদীক গ্ৰেপ্তাৰ কৰি সন্ত্ৰাসবাদী কাৰ্যকলাপ ব্যৰ্থ কৰাৰ লগতে বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু বিস্ফোৰক সামগ্ৰী জব্দ কৰে। অসম আৰক্ষীৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াই প্ৰকাশ কৰা অনুসৰি এটা গোপন সূত্ৰৰ ভিত্তিত বিশেষ কাৰ্যবাহিনীয়ে প্ৰঘাট অভিযানৰ অধীনত যোৱানিশা কোকৰাঝাৰৰ পৰা জেহাদী দুজনক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। গ্ৰেপ্তাৰ কৰা আব্দুল জাহিৰ শ্বেইখ আৰু ছবিৰ মিৰ্ধা আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী সংগঠনৰ সদস্য বুলি সন্দেহ কৰা হৈছে। ইয়াৰে এজন জেহাদী লুকাই থকা স্থানৰ পৰা চাৰিটা হস্তনিৰ্মিত ৰাইফল, গ্ৰেণেড আৰু বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰা হয়। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি আৰক্ষী মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্তৰ নেতৃত্বৰ বিশেষ কাৰ্যবাহিনীয়ে অপাৰেশ্যন প্ৰঘাটৰ অধীনত এতিয়ালৈকে ৰাজ্যখনত ১০ জন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰিছে।

০০০০০০০০০

পাকিস্তানে যোৱানিশা আফগানিস্তানৰ পক্তিকা প্ৰদেশৰ বৰমল জিলাক লক্ষ্য কৰি চলোৱা বিমান আক্ৰমণত কমেও ১৫ জন লোকে প্ৰাণ হেৰুৱায়। আফগানিস্তানৰ সংবাদ মাধ্যমে প্ৰকাশ কৰা মতে, পাকিস্তানী তালিবানক লক্ষ্য কৰি পাকিস্তান সীমান্তৱৰ্তী পক্তিকা প্ৰদেশৰ পাহাৰীয়া এলেকাত এই আক্ৰমণ চলোৱা হয়। অৱশ্যে এতিয়ালৈকে পাকিস্তানে এই আক্ৰমণৰ কথা নিশ্চিত কৰা নাই।

তালিবানৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে পাকিস্তানে অসামৰিক লোকক আক্ৰমণৰ লক্ষ্য কৰি লোৱা বুলি এই আক্ৰমণক গৰিহণা দিছে। মন্ত্ৰালয়ে লগতে আক্ৰমণত হতাহত হোৱা অধিকাংশ লোক ৱাজিৰিস্তান অঞ্চলৰ পৰা অহা শৰণাৰ্থী বুলি প্ৰকাশ কৰিছে।

০০০০০০০০০

আজি পবিত্ৰ বৰদিন। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে ভাৰততো আজি যীশু খ্ৰীষ্টৰ জন্মদিন উপলক্ষে ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজেৰে বৰদিন উদযাপন কৰা হৈছে। বৰদিন উপলক্ষে খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে নিজৰ বাসগৃহসমূহ ৰং-বিৰঙী ফুল, তৰা আৰু আলোকসজ্জাৰে সজ্জিত কৰি তোলাৰ লগতে সকলোৰে গীৰ্জাঘৰত সমবেত হৈ প্ৰভু যীশুৰ স্তুতিগীতেৰে সমূহীয়া প্ৰাৰ্থনাত ভাগ লৈছে। যোৱা নিশাৰ পৰাই কেৰলৰ ধ্বনি আৰু মনোমোহা আলোকসজ্জাৰে প্ৰতিটো গীৰ্জা মুখৰিত হৈ উঠিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৰদিন উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাত কয়, যে বৰদিনে যীশুখ্ৰীষ্টৰ প্ৰেম, দয়া আৰু কৰুণাৰ শিক্ষাক সোঁৰৰাই দিয়ে। তেওঁ জনসাধাৰণক সমাজত সুখ আৰু শান্তি বিয়পোৱাৰ লগতে একতাৰ ভাৱনাক আগবঢ়াই নিবলৈ আহ্বান জনায়। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়েও দেশবাসীক বৰদিনৰ শুভেচ্ছা জ্ঞাপন কৰি ভালপোৱা আৰু সমন্বয়েৰে এই উৎসৱ পালন কৰিবলৈ আহ্বান জনায়। বৰদিনে শান্তি আৰু শুভেচ্ছাৰ বাণী কঢ়িয়াই আনে বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক বৰদিনৰ শুভেচ্ছা জ্ঞাপন কৰি প্ৰভু যীশুৰ শিক্ষাই প্ৰত্যেককে শান্তি আৰু সমৃদ্ধিৰ বাট দেখুৱাব বুলি কামনা কৰে।

oooooooo

ঝাৰখণ্ড ভ্ৰমণলৈ যোৱা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী ডঃ এল মুৰুগানে আজি পালামুৰ দালটোনগঞ্জনত থকা আকাশবাণী আৰু দূৰদৰ্শনৰ আঞ্চলিক কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে আকাশবাণীৰ ষ্টুডিঅ'ৰ পৰা পোনপটীয়াভাৱে জনসাধাৰণৰ সৈতে মত বিনিময় কৰে। ডঃ মুৰুগানে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আকাশবাণী আৰু দূৰদৰ্শনৰ জৰিয়তে জনসাধাৰণৰ বাবে উৎকৃষ্ট অনুষ্ঠান প্ৰচাৰ কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ।

ooooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি অহা ২৮ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

ooooooo

সমাপ্ত